জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১/২০২১

# তেজপুৰ চ'ক বজাৰত সংঘটিত অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত দোকানৰ গৰাকীসকলক সাহায্য প্ৰদানৰ বাবে ৫১ লাখ ২৫ হাজাৰ টকা মুকলি কৰি দিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ মে' ঃ** তেজপুৰ চ'ক বজাৰত যোৱা ৮ মে'ত বিধ্বংসী অগ্নিকাণ্ডৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ২০৫ খন দোকানৰ গৰাকীক সাহায্য প্ৰদানৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৫১ লাখ ২৫ হাজাৰ টকা "মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি"ৰ পৰা মুকলি কৰি দিয়ে। নগৰ উন্নয়ন, গুৱাহাটী উন্নয়ন ইত্যাদি বিভাগৰ মন্ত্ৰী অশোক সিংঘালক এই সাহায্য শীঘ্ৰে প্ৰদানৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

**পুঃডেঃ / বীঃগঃ**
**২০/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in